# Alumni Meet on 30th April, 2023

**The Assam Tribune** Date 1 May 2023

DAINIK ASAM, Guwahati, Monday, May 1, 2023

**স্থানীয় | বা | ত | ৰি**

## বি এইচ বি মহাবিদ্যালয়ত সহপাঠী সন্মিলন

# শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰৰ আৱক্ষ মূৰ্তি স্থাপনৰ সিদ্ধান্ত




**নিজা বাতৰি দিওঁতা**

**সৰুপেটা, ৩০ এপ্ৰিল ঃ** স্থানীয় বি এইচ বি মহাবিদ্যালয়ত আজি মহাবিদ্যালয়খনত ১৯৯২ আৰু ১৯৯৫ বৰ্ষৰ সময়ছোৱাত মহাবিদ্যালয়খনত অধ্যয়নৰত স্নাতক শৈক্ষিক বৰ্ষৰ সময়ছোৱাৰ শিক্ষাৰ্থীসকলৰ মাজত এক সহপাঠী সন্মিলন অনুষ্ঠিত হৈ যায়। 'দৈনিক অসম' কাকতৰ জ্যেষ্ঠ সাংবাদিক জিতেন্দ্ৰ কুমাৰ চৌধুৰীৰ পৌৰোহিত্যত অনুষ্ঠিত সন্মিলনখনত মহাবিদ্যালয়খনত উক্ত সময়ছোৱাত অধ্যয়নৰত প্ৰায় শতাধিক সহপাঠী-শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। মহাবিদ্যালয়খনত অধ্যয়নৰত একালৰ শিক্ষাৰ্থী তথা মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভাৰ প্ৰাক্তন সাধাৰণ সম্পাদক ধ্ৰুৱ দাসৰ উদ্দেশ্য ব্যাখ্যাৰে অনুষ্ঠিত আজিৰ সহপাঠী সন্মিলনত মহাবিদ্যালয়খনৰ প্ৰবক্তা ফণীধৰ মেছ, প্ৰবোধ কলিতা, ড° নমিতা দাস গুৰুং, উপেন বৰ্মন আৰু মোফাজ্জল হুছেইনক একোখন ফুলাম গামোচাৰে সম্বৰ্দ্ধনা জনোৱা হয়। প্ৰাক্তন সাধাৰণ সম্পাদকগৰাকীয়ে 'পোহৰৰ সন্ধান দিয়া' শিক্ষাগুৰুসকলক এনেদৰে সম্বৰ্দ্ধনা জনাবলৈ পাই ধন্য হোৱা বুলি মত প্ৰকাশ কৰে। তাৰ পাছতেই এক নষ্টালজিক পৰিৱেশৰ মাজত সঞ্জীৱ তালুকদাৰ, জগদীশ বৰ্মন, লুনা চৌধুৰী, সুনন্দ দাস, সুনীল উজীৰ, পুলক বৈশ্য, ড° গৌতম দাস প্ৰভৃতি একালৰ ছাত্ৰ-ছাত্ৰীসকলে মহাবিদ্যালয়খনত অধ্যয়ন কালত তেওঁলোকৰ বিভিন্ন অম্ল-মধুৰ স্মৃতি ৰোমন্থন কৰাৰ লগতে আজিৰ পৈণত বয়সত সেইসকল শিক্ষক-শিক্ষয়িত্ৰীৰ বহুমূলীয়া অৱদান ভালদৰে উপলব্ধি কৰা বুলি ভাষণত উল্লেখ কৰে। আনহাতে, সভাপতিৰ বক্তব্যত জিতেন্দ্ৰ কুমাৰ চৌধুৰীয়ে পৌৰাণিক কালৰ পৰাই ভাৰতবৰ্ষত গুৰু-শিষ্যৰ মাজৰ সম্বন্ধ অতুলনীয় আৰু আজি সৰুপেটাৰ বি এইচ বি মহাবিদ্যালয়ত তেনে এক ঐশ্বৰ্যশালী পৰম্পৰাৰেই প্ৰতিফলন ঘটিছে বুলি তেওঁ মন্তব্য কৰে। উল্লেখ্য, আজিৰ সন্মিলনত মহাবিদ্যালয়খনৰ একালৰ ছাত্ৰ অসম আন্দোলনৰ প্ৰথমগৰাকী শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰৰ কোনো স্মৃতিচিহ্ন এতিয়ালৈকে নথকাত দুখ প্ৰকাশ কৰে। সন্মিলনত মহাবিদ্যালয়খনৰ প্ৰাক্তন শিক্ষাৰ্থী ধ্ৰুৱ দাস, জগদীশ বৰ্মন, পুলক বৈশ্য আৰু সুনন্দ দাসে মহাবিদ্যালয়খনৰ চৌহদত শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰৰ এক আৱক্ষ মূৰ্তি স্থাপনৰ বাবে উত্থাপন কৰা প্ৰস্তাৱত আটায়ে সন্মতি প্ৰকাশ কৰে আৰু মহাবিদ্যালয় কৰ্তৃপক্ষৰ ওচৰত অনুমতি বিচাৰি প্ৰস্তাৱ দাখিলৰ সিদ্ধান্তও আজিৰ সন্মিলনত গ্ৰহণ কৰা হয়। মহাবিদ্যালয় কৰ্তৃপক্ষৰ অনুমতি সাপেক্ষে আৱক্ষ মূৰ্তি স্থাপনৰ সম্পূৰ্ণ ব্যয় প্ৰাক্তন সহপাঠীসকলে বহন কৰাৰ সিদ্ধান্তও আজিৰ সন্মিলনে গ্ৰহণ কৰে আৰু উক্ত বিষয়ত ৰাজ্যখনৰ বিশিষ্ট শিল্পী বীৰেন সিংহৰ সৈতে যোগাযোগ কৰাৰ বাবেও আজিৰ সন্মিলনে এক প্ৰস্তাৱ গ্ৰহণ কৰে। অনুষ্ঠানৰ আৰম্ভণিতে মহাবিদ্যালয়খনৰ সদ্যপ্ৰয়াত ভাৰপ্ৰাপ্ত উপাধ্যক্ষ ড° দুৰ্গেশ্বৰ বৰ্মনৰ লগতে মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠা কালৰে জড়িত জ্ঞাত-অজ্ঞাতসকলৰ স্মৃতিত এক শ্ৰদ্ধা তৰ্পণ কাৰ্যসূচী অনুষ্ঠিত হয়। মহাবিদ্যালয়খনৰ প্ৰবক্তা ফণীধৰ মেছে উদ্বোধন কৰা স্মৃতি তৰ্পণ অনুষ্ঠানত উপস্থিত আটায়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত স্থানীয় সংগীত শিল্পী হৰেকৃষ্ণ তালুকদাৰে এটি গীত পৰিৱেশন কৰে।







শিক্ষাবৰ্ষৰ
সন্মিলন

